**বাজেটৰ শ্ৰেণীবিভাজন (Classification of Budget) ঃ**

বাজেট বিভিন্ন প্ৰকাৰৰ হয়। বাজেটত দেখুওৱা আয় আৰু ব্যয়ৰ বিভাজনৰ ওপৰত ভিত্তি কৰি বাজেটক বিভিন্ন ভাগত ভগাব পাৰি। প্ৰধানকৈ চাৰিটা ভিত্তিত বাজেট বিভাজন কৰিব পাৰি। যেনে—(১) সাংগঠনিক গোট (Organizational Unit), (২) কাৰ্য (Functions), (৩) প্ৰকৃতি (Nature), আৰু (৪) সামগ্ৰী (Object)।

সাধাৰণতে বিভাগীয় বাজেটসমূহ সাংগঠনিক গোটৰ বিত্তিত প্ৰস্তুত কৰা হয়। এই প্ৰকাৰ বাজেটত বিভাগ বিশেষে আয় আৰু ব্যয় বাজেট দেখুওৱা হয়। উদাহৰণ স্বৰূপে ক'ব পাৰি যে কোনো এটা বিদ্যালয় ভৱন সজাৰ খৰচ শিক্ষা বিভাগৰ শিতানত উল্লেখ নকৰি গড়কাপ্তানি (P.W.D)ৰ শিতানত দেখুওৱা হয়।

কাৰ্যৰ ওপৰত ভিত্তি কৰা বাজেটক সম্পাদনাত্মক বাজেট (Performance Budget) বা প্ৰগ্ৰেম বাজেট (Programme Budget) বোলা হয়। এনে ধৰণৰ বাজেটত প্ৰতিৰক্ষা, স্বাস্থ্য শিক্ষা আদি বিভিন্ন শিতানত খৰচ দেখুওৱা হয়।

আয় আৰু ব্যয়ৰ প্ৰকৃতিৰ ওপৰত প্ৰস্তুত কৰা বাজেটক 'ৰাজহ বাজেট, 'মূলধন বাজেট' ইত্যাদি ধৰণেৰে বিভাজন কৰিব পাৰি।

সামগ্ৰী (Objects)ৰ শিতানত প্ৰস্তুত কৰা বাজেটত বিভিন্ন সামগ্ৰী বা সেৱাৰ ওপৰত ভিত্তি কৰি খৰচ দেখুওৱা হয়। যেনে—কৰ্মচাৰীৰ দৰ্মহা, ভূমি, যন্ত্ৰ আদিৰ ওপৰত হোৱা খৰচ।

ইয়াৰ উপৰিও সময়সীমা, বাজেটৰ সংখ্যা, আয়-ব্যয় নিৰ্ধাৰণ কৰা নীতি, বিত্তীয় পৰিস্থিতিত আয় ব্যয়ৰ শ্ৰেণীবিভাজনৰ ওপৰত নিৰ্ভৰ কৰি বাজেট বিভাজন কৰিব পাৰি।

বাজেটৰ প্ৰধান ভাগসমূহ তলত উল্লেখ কৰা হ'ল—

**(১) বাৰ্ষিক আৰু দীৰ্ঘম্যাদী বাজেট (Annual and Long Term Budget) ঃ** বাৰ্ষিক বাজেট এবছৰৰ বাবে আৰু তিনি বছৰ বা তাতকৈ অধিক সময়ৰ বাবে প্ৰস্তুত কৰা বাজেটক দীৰ্ঘম্যাদীৰ বাজেট বুলি ক'ব পাৰি। ভাৰতবৰ্ষ, ইংলেণ্ড, আমেৰিকা, অষ্ট্ৰেলিয়া, ছুইডেন, ইটালী, ফ্ৰান্স আদি দেশত বাজেট এবছৰৰ বাবে প্ৰস্তুত কৰা হয়। অৱশ্যে সকলো দেশতে বিত্তীয় বছৰ একে সময়তে আৰম্ভ নহয়। ভাৰতবৰ্ষত ১ এপ্ৰিলত বিত্তীয় বছৰ আৰম্ভ হয় আৰু আমেৰিকা, অষ্ট্ৰেলিয়া, ছুইডেন, ইটালী আদিত ১ জুলাই আৰু ফ্ৰান্সত ১ জানুৱাৰীত বিত্তীয় বছৰ আৰম্ভ হয়। কেতিয়াবা দীৰ্ঘম্যাদী পৰিকল্পনা হাতত ল'লে বাজেট কেইবাবছৰৰ বাবে প্ৰস্তুত কৰা হয়। ভাৰতৰ পাঁচ বছৰীয়া পৰিকল্পনাৰ ক্ষেত্ৰত বাজেট দীৰ্ঘম্যাদী হোৱা দেখা যায়। এনে বাজেটৰ ক্ষেত্ৰত সংসদে বাজেটত উল্লেখ কৰা বিভিন্ন প্ৰণালী আৰু প্ৰধান নীতিসমূহত অনুমোদন জনায় আৰু প্ৰতি বিত্তীয় বছৰতেই বাৰ্ষিক বাজেট উত্থাপন কৰোঁতে সংসদে দীৰ্ঘম্যাদী বাজেটৰ বাৰ্ষিক কাৰ্যক্ৰমত অনুমোদন জনায়।

Scanned by CamScanner

(২) **একক আৰু বহুল বাজেট (Single and Plural Budget)** ঃ ৰাষ্ট্ৰৰ সকলো প্ৰশাসনীয় বিভাগৰ আয় আৰু ব্যয় এখন বাজেটত সন্নিৱিষ্ট কৰি প্ৰস্তুত কৰা বাজেটক একক বাজেট বুলি কোৱা হয়। এনে ধৰণৰ একক বাজেট ইংলেণ্ডত প্ৰস্তুত কৰা হয়। ভাৰতবৰ্ষত সাধাৰণ বাজেটৰ উপৰিও ৰেলৱে বিভাগৰ বাবে সুকীয়া বাজেট প্ৰস্তুত কৰাৰ ব্যৱস্থা আছে অৰ্থাৎ ভাৰতবৰ্ষত বহুল বাজেট ব্যৱস্থাৰ প্ৰচলন পৰিলক্ষিত হয়। এনে ধৰণৰ বহুল বাজেট ব্যৱস্থা ফ্ৰান্স, জাৰ্মান, ছুইজাৰলেণ্ড আদি দেশতো দেখা যায়।

(৩) **ৰাহি আৰু ঘাটি বাজেট (Surplus and Deficit Budget)** ঃ প্ৰকল্পিত ৰাজহ প্ৰকল্পিত ব্যয়তকৈ অধিক হ'লে তেনে বাজেটক ৰাহি বাজেট আৰু প্ৰকল্পিত ৰাজহ প্ৰকল্পিত ব্যয়তকৈ কম হ'লে সেই বাজেটক ঘাটি বাজেট বোলা হয়।

(৪) **সন্তুলিত বাজেট** ঃ বাজেটত যেতিয়া প্ৰকল্পিত ৰাজহ আৰু প্ৰকল্পিত ব্যয়ৰ পৰিমাণ সমান হয় তেনে বাজেটক সন্তুলিত বাজেট বুলি কোৱা হয়।

(৫) **নগদ বাজেট (Cash Budget)** ঃ বিত্তীয় বছৰটোত প্ৰকৃত আয় আৰু ব্যয়ৰ ওপৰত প্ৰস্তুত কৰা বাজেটক নগদ বাজেট বোলে। এনে বাজেটৰ আধাৰত বিত্তীয় বছৰত খৰচ নোহোৱা অনুমোদিত ধন পিছৰ বছৰত পুনৰ সংসদৰ অনুমোদন নোপোৱাকৈ খৰচ কৰিব নোৱাৰি। এই বাজেট বাতিল নীতিৰ ওপৰত প্ৰতিষ্ঠিত।

(৬) **ৰাজহ আৰু মূলধন বাজেট (Revenue and Capital Budget)** ঃ চলিত আয় আৰু ব্যয়ৰ পৰা মূলধন আৰু ব্যয় পৃথক কৰি স্পষ্টভাৱে প্ৰস্তুত কৰা বাজেটক ৰাজহ আৰু মূলধন বাজেট বুলি কোৱা হয়। জমা, ঋণ, সম্পত্তি বিক্ৰীৰ ধন আদিক চলিত বছৰৰ আয় বুলি ধৰা নহয়। সেইদৰে ঋণ পৰিশোধ, নিধি বিনিয়োগ আদি চলিত ব্যয় নহয়। চলিত আৰু মূলধন বিষয়ৰ পাৰ্থক্য দেখুৱাই বাজেট প্ৰস্তুত নকৰিলে বিত্তীয় পৰিস্থিতিৰ প্ৰকৃত ৰূপ জনাত অসুবিধা হয়।

(৭) **স্থূল বাজেট** ঃ বাজেট মুঠ হোৱা উচিত। স্থূল বাজেটত সকলো ধৰণৰ জমা আৰু খৰচ সম্পূৰ্ণভাৱে দেখুওৱা হয়।

(৮) সম্পাদনাত্মক বাজেট আৰু শূন্যভিত্তিক বাজেটৰ বিষয়ে এই অধ্যায়ৰ শেষত আলোচনা কৰা হৈছে।

Scanned by CamScanner